নৰেন্দ্ৰ সিং তোমৰ
কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী,
ভাৰত চৰকাৰ

सत्यमेव जयते

১৭ ডিচেম্বৰ, ২০২০

# কৃষক ভাই-ভনীসকলৰ নামত এখন পত্ৰ

প্ৰিয় কৃষক ভাই-ভনীসকল,

ঐতিহাসিক কৃষি সংস্কাৰক লৈ বিগত কিছু দিনৰ পৰা মই আপোনালোকৰ সৈতে সম্পৰ্কত আছো। বিগত দিনসমূহত মই অনেক ৰাজ্যৰ কৃষক সংগঠনসমূহৰ সৈতে আলোচনাত বহিছো। বহু কৃষক সংগঠনে এই কৃষি সংস্কাৰৰ স্বাগতম জনাইছে, তেওঁলোকে ইয়াক লৈ অত্যন্ত সুখী, কৃষকসকলৰ মাজত এক নতুন আশা উজ্জীৱিত হৈছে। দেশৰ বিভিন্ন ক্ষেত্ৰৰ পৰা এনে কৃষকৰ উদাহৰণ অহৰহ আমি লাভ কৰিছো যিয়ে নতুন কৃষি আইনৰ লাভ উঠোৱা আৰম্ভ কৰি দিছে।

কিন্তু এই কৃষি সংস্কাৰক লৈ আন এটা পক্ষও আছে যিয়ে কিছুমান কৃষি সংগঠনৰ মাজত ইয়াক লৈ বিভ্ৰান্তিৰ সৃষ্টি কৰিছে।

দেশৰ কৃষি মন্ত্ৰী হোৱাৰ পৰিপ্ৰেক্ষিতত মোৰ কৰ্তব্য হ'ল প্ৰতিজন কৃষকৰ ভ্ৰম দূৰ কৰা, প্ৰতিজন কৃষকৰ চিন্তা দূৰ কৰা। মোৰ দায়িত্ব এয়াই যে চৰকাৰ আৰু কৃষকৰ মাজত দিল্লী আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলত যি মিথ্যাৰ দেৱাল সৃষ্টি কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে, তাৰ সত্যতা আৰু উপযুক্ত বাস্তৱিক স্থিতি আপোনালোকৰ সন্মুখত দাঙি ধৰা।

মই এজন কৃষক পৰিয়ালৰ সন্তান। খেতি-বাতি তথা ইয়াৰ প্ৰত্যাহ্বানসমূহ দেখি-শুনি-বুজি ডাঙৰ-দীঘল হৈছো। খেতিত পানী দিয়াৰ বাবে নিশা দুপৰলৈ সাৰে থকা, পানী দিয়াৰ সময়ত ভাঙি যোৱা বান্ধ বন্ধ কৰা, অসময়ত হোৱা বৰষুণৰ ভয়, সময়ত হোৱা বৰষুণৰ সুখ- এই সকলোবোৰ মোৰ জীৱনৰ অংশ। শস্য চপোৱাৰ পিছত সেইসমূহ বিক্ৰী কৰাৰ বাবে কৰা অপেক্ষা মই দেখা পাইছো।

এই স্থিতি, পৰিস্থিতিৰ মাজতো দেশৰ কৃষকে দেশৰ বাবে অধিকতম অন্ন উৎপাদন কৰাৰ প্ৰয়াস কৰে। ভাৰতৰ কৃষকৰ এই পৰিশ্ৰমক, এই ইচ্ছাশক্তিক আমি ক'ৰোনাৰ সংকটৰ



সময়ছোৱাতো প্ৰত্যক্ষ কৰিছো। কৃষকসকলে অত্যাধিক উৎপাদন কৰি দেশৰ অৰ্থব্যৱস্থাক গতি প্ৰদান কৰাত সহায় কৰিছে। এই সময়ছোৱাত অভিলেখসংখ্যক ফচল চপাই ভৱিষ্যতলৈ ইয়াতকৈও অধিক উৎপাদন সুনিশ্চিত কৰা হৈছে।

কৃষি মন্ত্ৰী হিচাপে মোৰ বাবে এয়া সন্তোষৰ কথা যে নতুন আইন প্ৰণয়ন হোৱাৰ পিছত এইবাৰ এমএছপিত চৰকাৰী ক্ৰয়ত যোৱাবাৰৰ সকলো অভিলেখ ভংগ হৈছে। এনে সময়ত যেতিয়া আমাৰ চৰকাৰে এমএছপিত ক্ৰয় কৰি নতুন অভিলেখ সৃষ্টি কৰিছে, বিক্ৰী কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিছে, কিছুমান লোকে কৃষকক এমএছপি বন্ধ কৰা হ'ব বুলি মিছা কথা কৈ আছে।

| মিছা | সঁচা |
|---|---|
| এমএছপি ব্যৱস্থাৰ অন্ত পৰিছে।<br>এপিএমচিৰ মণ্ডী বন্ধ কৰা হৈছে। | এমএছপি ব্যৱস্থা অব্যাহত আছে আৰু অব্যাহত থাকিব।<br>এপিএমচি মণ্ডীসমূহ অব্যাহত থাকিব। এপিএমচি মণ্ডী এই আইনৰ পৰিধিৰ বাহিৰত। |
| কৃষকৰ ভূমিৰ ক্ষেত্ৰত বিপদৰ সৃষ্টি হৈছে। | চুক্তি ফচলৰ বাবেহে হ'ব, ভূমিৰ বাবে নহয়। বিক্ৰী, লীজ আৰু বন্ধকসহিতে ভূমিৰ যিকোনো প্ৰকাৰৰ হস্তান্তৰণৰ ব্যৱস্থা নাথাকিব। |
| কৃষকসকলৰ যিকোনো বকেয়াৰ পৰিৱৰ্তে ঠিকাদাৰসকলে ভূমি হস্তগত কৰিব পাৰে। | পৰিস্থিতি যিয়েই নহওক কিয়, কৃষকসকলৰ ভূমি সুৰক্ষিত। |
| ঠিকাভিত্তিক কৃষিৰ ক্ষেত্ৰত কৃষকৰ বাবে মূল্যৰ কোনো গেৰাণ্টী নাই। | কৃষি চুক্তিত কৃষিজাত সামগ্ৰীসমূহৰ ক্ৰয় মূল্য লিপিৱদ্ধ কৰা হ'ব। |
| কৃষকসকলক পৰিশোধ কৰা নহ'ব। | কৃষকসকলক পৰিশোধ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত কৰিব লাগিব, অন্যথা আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব আৰু জৰিমনা ভৰিব লাগিব। |
| কৃষকসকলে ঠিকাৰ অন্ত পেলাব নোৱাৰে। | কৃষকসকলে যিকোনো সময়ত কোনো জৰিমনা আদায় নিদিয়াকৈ চুক্তিৰ অন্ত পেলাব পাৰে। |
| পূৰ্বে কেতিয়াও ঠিকাভিত্তিক কৃষিৰ চেষ্টা কৰা হোৱা নাছিল। | বহু ৰাজ্যত ঠিকাভিত্তিক কৃষিৰ অনুমোদন প্ৰদান কৰা হৈছে। বহু ৰাজ্যত ঠিকাভিত্তিক কৃষিৰ বাবে আইনো প্ৰণয়ন কৰা হৈছে। |
| এই আইনসমূহক লৈ কোনো বিচাৰ-পৰামৰ্শ কৰা হোৱা নাই। | দুটা দশক পৰ্যন্ত চিন্তা-চৰ্চা কৰা হৈছে। ২০০০ চনত শংকৰলাল কমিটীৰ পৰা ইয়াৰ আৰম্ভণি কৰা হৈছিল। ইয়াৰ পিছত ২০০৩ চনত মডেল এপিএমচি আইন; ২০০৭ৰ এপিএমচি নীতি; ২০১০ত হাৰিয়ানা, পাঞ্জাব, বিহাৰ তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰীসকলৰ সমিতি |



কৃষকসকলক মই আহ্বান জনাইছো যে ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত কিছুমান লোকে বিয়পোৱা ভ্ৰমক চিনাক্ত কৰক আৰু ইয়াক খাৰিজ কৰক। যি চৰকাৰে কৃষকৰ ব্যয়ৰ ডেৰ গুণ এমএছপি প্ৰদান কৰিছে, যি চৰকাৰে বিগত ছবছৰত এমএছপিৰ জৰিয়তে প্ৰায় দুগুণ ৰাশি কৃষকৰ একাউণ্টলৈ প্ৰেৰণ কৰিছে, সেই চৰকাৰে  এমএছপি কেতিয়াও বন্ধ নকৰে। এমএছপি অব্যাহত থাকিব।

কৃষক ভাই-ভনীসকল,

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীজীৰ বাবে কৃষক কল্যাণ তেওঁৰ জীৱনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দায়িত্বসমূহৰ ভিতৰত অন্যতম। কৃষকৰ আয় বৃদ্ধি কৰাৰ বাবে, তেওঁলোকৰ জীৱনলৈ সমৃদ্ধি অনাৰ বাবে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত এই চৰকাৰে নিৰন্তৰে সিদ্ধান্ত গ্ৰহণ কৰি আহিছে।

বিগত ছবছৰত কৃষকক সৱলীকৃত কৰিবলৈ আমাৰ চৰকাৰৰ দ্বাৰা বীজৰ পৰা বজাৰলৈ প্ৰতিটো এনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যিয়ে কৃষকৰ বাবে খেতিৰ প্ৰক্ৰিয়া সহজ কৰি তুলিছে, তেওঁলোকৰ সমস্যা হ্ৰাস কৰি উপাৰ্জন বৃদ্ধি কৰিছে।

আপোনালোকেও জানে যে আমাৰ দেশৰ ৮০ শতাংশই হ'ল ক্ষুদ্ৰ কৃষক যিয়ে এক-দুই একৰ মাটিত খেতি কৰে। এনে কৃষকে স্বাধীনতাৰ পিছৰ পৰা কেৱল পেট পোহাৰ বাবেই খেতি কৰি আহিছে। চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে, ইয়াৰ ডাঙৰ লাভ এনে ক্ষুদ্ৰ কৃষকে পাব।

পিএম কিষাণ সন্মান নিধিৰ জৰিয়তে বছৰি ৬ হাজাৰ টকা আপোনালোকক প্ৰদান কৰাৰ অন্তৰালত আমাৰ এয়াই উদ্দেশ্য যাতে দুৰ্যোগৰ সময়ত আপোনালোকে ঋণ ল'বলগীয়া নহয়। ফচল বীমাই আপোনালোকক প্ৰাকৃতিক দুৰ্যোগৰ সময়ত নষ্ট হোৱা ফচলৰ লোকচানৰ পূৰ্তি কৰে। ভূমি স্বাস্থ্য কাৰ্ডৰ দ্বাৰা কৃষকে নিজৰ ভূমিৰ স্বাস্থ্যৰ বিষয়ে জানিব পাৰিছে, নিম কোটিংযুক্ত ইউৰিয়াই সাৰৰ ক'লা বজাৰ ৰোধ কৰি কৃষকক বহুলাংশে উপকৃত কৰিছে। অন্নদাতাসকল যাতে শক্তিদাতাও হয় তাৰ বাবে দেশে এই লক্ষ্যৰ সৈতে আগবাঢ়িছে।

কৃষকসকলৰ আন এটা সমস্যা এয়াও যে অধিকাংশ গুডাম, শীতলীকৰণ ভৱন আৰু সংসাধন কেন্দ্ৰ গাঁৱৰ পৰিৱৰ্তে ডাঙৰ চহৰসমূহত নিৰ্মাণ কৰা হৈছে। ফলস্বৰূপে কৃষকে ইয়াৰ সম্পূৰ্ণ লাভ অৰ্জন কৰিব নোৱাৰে। এই অসন্তুলন দূৰ কৰাৰ বাবে এতিয়া ১ লাখ কোটি টকাৰ কৃষি আন্তঃগাঁথনি পুঁজিৰ সৃষ্টি কৰা হৈছে।

এই প্ৰয়াসসমূহৰ মাজত আমি এয়াও দেখিবলৈ পাইছো যে কিদৰে কৃষকৰ কেঁচা ঘামেৰে উৎপাদিত সামগ্ৰীসমূহ কিছুমান লোকে বজাৰৰ উপলব্ধতা নোহোৱাৰ সুযোগত কড়িৰ দামত



ক্ৰয় কৰিছে। ভাৰতৰ কৃষকসকলৰ এই অধিকাৰো নাছিল যে তেওঁলোকে নিজৰ খেতিত উৎপাদিত ফচলৰ দাম নিৰ্ধাৰণ কৰিব পাৰে, য'তেই ইচ্ছা ত'তেই বিক্ৰী কৰিব পাৰে।

কৃষকসকলৰ এই অসুবিধা কোনেও জনা নাছিল, কোনেও বুজি পোৱা নাছিল। আমিয়েই আছিলো প্ৰথম চৰকাৰ যিয়ে কৃষকক মণ্ডীৰ সৈতে খোলা বজাৰ দিয়াৰ হকে মাত মাতিছিলো। এই সন্দৰ্ভত অটলজীৰ চৰকাৰৰ সময়ত ২০০১ চনত সংবাদৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অটলজীৰ পিছত ১০ বছৰ কেন্দ্ৰত কংগ্ৰেছৰ চৰকাৰ থাকিল আৰু তেওঁলোকেও এই সংস্কাৰৰ সমৰ্থন কৰিছিল, তেওঁলোকেও এই সংস্কাৰসমূহৰ বিষয়ে নিজৰ ঘোষণাপত্ৰত লিপিৱদ্ধ কৰিছিল।

সত্য এয়াই যে কৃষকসকলক বান্ধি থোৱা পুৰণি ব্যৱস্থাৰ সৈতে কেতিয়াও কোনো সহমত নাছিল। আজি এই পত্ৰৰ জৰিয়তে মই এয়াই ক'ব বিচাৰিছো যে বিগত ২০-২৫ বছৰত কোনো কৃষক নেতা বা সংগঠনৰ এনে এটা বক্তব্য দেখুৱাই দিয়ক য'ত কৃষকসকলক নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ বাবে অন্য বিকল্প দিব নালাগে, যি ব্যৱস্থা চলি আহিছে সেয়াই চলি থাকিবলৈ দিয়ক বুলি কোৱা হৈছে। আমাৰ দেশত বৃহৎ বৃহৎ কৃষক সংগঠনে এই বন্ধনসমূহৰ পৰা মুক্তি পোৱাৰ বাবে মাত মাতি আহিছে। কৃষি বিশেষজ্ঞই কৈয়েই আহিছে যে এই সংস্কাৰসমূহৰ অবিহনে ভাৰতৰ কৃষকসকলৰ জীৱন পৰিৱৰ্তন কৰাটো অসম্ভৱ।

২০১৪ চনত যেতিয়া এনডিএৰ চৰকাৰ গঠন হ'ল তেতিয়া আমি এই সংস্কাৰসমূহৰ বিষয়ে নতুনকৈ চিন্তা-চৰ্চা কৰিলো। ৰাজ্য চৰকাৰলৈ মডেল আইন প্ৰেৰণ কৰা হ'ল। মুখ্যমন্ত্ৰীসকলৰ কমিটীত চৰ্চা কৰা হ'ল। ছমাহত আমি দেশৰ কোটি কোটি কৃষকৰ ওচৰলৈ এই কথা লৈ গ'লো। প্ৰায় ডেৰ লাখ প্ৰশিক্ষণ আৰু ৱেবিনাৰ অধিৱেশনৰ জৰিয়তে কৃষকসকলৰ সৈতে জড়িত বিভিন্ন সমস্যা আৰু নতুন কৃষি আইনৰ ওপৰত চৰ্চা কৰা হ'ল। তাৰ পিছতহে এই নতুন কৃষি আইনৰ অস্তিত্ব আৰম্ভ হ'ল।

কৃষক ভাই-ভনীসকল,

মণ্ডীসমূহ চলি আছে আৰু চলিয়েই থাকিব। এপিএমচিক অধিক শক্তিশালী কৰা হৈছে। ইয়াৰ সৈতে খোলা বজাৰে আপোনালোকক নিজৰ ঘৰতেই নিজৰ উৎপাদিত সামগ্ৰীক ভাল দামত বিক্ৰী কৰাৰ বিকল্প প্ৰদান কৰিব। লগতে খেতিৰ পৰা মণ্ডীলৈ উৎপাদিত শস্য লৈ যোৱাৰ ভাড়াও বাচিব। মণ্ডীৰ বিকল্পতো আছেই। কৃষি উপজাত সামগ্ৰীৰ মণ্ডীসমূহ পূৰ্বৰ দৰেই কাম কৰি থাকিব। বিগত ৫-৬টা বছৰত কৃষি মণ্ডীসমূহক আধুনিক কৰি তোলাৰ বাবে

চৰকাৰে কোটি কোটি টকা ব্যয় কৰিছে। ইয়াক আগন্তুক সময়ত অধিক আধুনিক কৰি তোলা হ'ব। যি সকলৰ ৰাজনৈতিক স্থিতি থৰক-বৰক হৈছে তেওঁলোকে এই কাল্পনিক ভ্ৰম বিয়পাই আছে যে কৃষকসকলৰ ভূমি হস্তগত কৰা হ'ব। যেতিয়া কৃষক আৰু বেপাৰীসকলৰ মাজত চুক্তি কেৱল উপজাত শস্যৰ বাবেহে হয় তেন্তে ভূমি কিদৰে হস্তগত হ'ব পাৰে? নতুন আইনত স্পষ্টভাৱে উল্লেখ আছে যে ভূমিৰ মালিকীস্বত্ব কেৱল কৃষকৰ হাততেই থাকিব। যি চৰকাৰে গাঁৱত বাস কৰা প্ৰতিটো পৰিয়ালক স্বামীত্ব যোজনাৰ জৰিয়তে তেওঁলোকৰ ঘৰৰ মালিকীস্বত্ব প্ৰদান কৰি আছে, সেই চৰকাৰে কৃষকসকলৰ এক ইঞ্চি ভূমিও কাকো কাঢ়ি নিবলৈ নিদিয়ে।

আমাৰ চৰকাৰ নিষ্ঠা আৰু নীতি, দুয়োটাতেই কৃষকৰ প্ৰতি দায়বদ্ধ।

ভাই-ভনীসকল,

এমএছপি, মণ্ডী আৰু ভূমিৰ ওপৰত অধিকাৰক লৈ যি ভ্ৰম বিয়পোৱা হৈছে সেয়া দূৰ কৰাৰ বাবে চৰকাৰে নিৰন্তৰে প্ৰয়াস কৰি আহিছে।

আমি কৃষক আৰু তেওঁলোকৰ সংগঠনসমূহৰ সৈতে নিৰন্তৰে আলোচনা কৰি আহিছো আৰু তেওঁলোকৰ প্ৰতিটো চিন্তাৰ নিৰাময় কৰাৰ বাবে সকলো সময়তে প্ৰস্তুত আছো।

কিন্তু কৃষকসকলৰ আঁৰত কিছুমান ৰাজনৈতিক দল আৰু সংগঠনৰ দ্বাৰা সৃষ্ট কুচক্ৰান্তবোৰৰ অনুধাৱন কৰাটোও সিমানেই আৱশ্যক।

দেশৰ দুৰ্ভাগ্য এয়াই যে আজি নিজকে নিজে নিৰপেক্ষ বুলি কোৱা, বুদ্ধিজীৱি বুলি কোৱা কিছুমান লজ্জাহীন ব্যক্তিয়ে নিজৰেই কথাৰ বিপৰীত ভাষ্য প্ৰদান কৰিছে। কিন্তু জনতাৰ পৰা একো লুকাই থকা নাই। দেশবাসীয়ে সেই পুৰণি কথাসমূহো মনত ৰাখিছে আৰু আজি তেওঁলোকৰ আচল চেহেৰাও প্ৰত্যক্ষ কৰিছে।

এই লোকসকলে ভাবিছে যে নিজৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে এওঁলোকে চৰকাৰৰ লোকচান কৰিব পাৰিব। কিন্তু সত্য এয়াই যে এওঁলোকৰ লক্ষ্য হ'ল আপোনালোক, দেশৰ কৃষকসকল, দেশৰ যুৱচাম। এই লোকসকলে নিৰ্দোষ কৃষকসকলক ৰাজনীতিৰ কাঠপুতলা বনোৱাৰ প্ৰয়াস কৰিছে।

যি কংগ্ৰেছে নিজৰ চৰকাৰৰ সময়ত স্বামীনাথন কমিটীৰ প্ৰতিবেদনক ৮ বছৰলৈ লুকুৱাই ৰাখিছিল সেই কংগ্ৰেছ কৃষকৰ হিতৈষী কিদৰে হ'ব পাৰে। যি কংগ্ৰেছে নিজৰ ঘোষণা



পত্ৰত কৈ আহিছে যে কৃষকসকলক মণ্ডীৰ উপৰিও উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ বাবে বিকল্প ব্যৱস্থা প্ৰদান কৰিব লাগে, তেওঁলোকে এতিয়া কিয় কৃষকসকলক বান্ধ খাই থকাটো বিচাৰিছে । কংগ্ৰেছ চৰকাৰৰ যি কৃষি মন্ত্ৰীয়ে এই সংস্কাৰৰ পক্ষত পত্ৰ লিখিছিল, তেওঁৰেই এতিয়া কিয় ওলোটা খৰ মাৰিছে।

যি আম আদমী পাৰ্টীয়ে পাঞ্জাৱৰ নিৰ্বাচনৰ সময়ত নিজৰ ঘোষণাপত্ৰত লিখিছিল যে কৃষকসকলে মণ্ডীৰ বাহিৰেও অন্য স্থানত উৎপাদিত শস্য বিক্ৰী কৰাৰ সুবিধা পাব, এতিয়া তেওঁলোকে ওলোটা কথা কিয় কৈছে?

হুড্ডা কমিটীয়ে কৃষি সংস্কাৰৰ কথা কৈছিল, সেই কমিটীত আকালি দলৰ ডাঙৰ ডাঙৰ নেতাও আছিল, আজি তেওঁলোকে কিয় বেলেগ সুৰত কথা কৈছে?

সেইসমূহ কৃষক সংগঠন যিসকলে দুই-তিনিমাহ পূৰ্বে এই সংস্কাৰসমূহৰ পূৰ্ণ সমৰ্থন কৰিছিল, আমাৰ চৰকাৰক অভিনন্দন জনাইছিল, তেওঁলোকে হঠাতে কিয় বিপৰীত প্ৰদৰ্শন কৰিছে?

মোৰ কৃষক ভাই-ভনীসকল,

দশক দশকজুৰি আমাৰ দেশত কেৱল ঘোষণা কৰি ভোট সংগ্ৰহ কৰাৰ ৰাজনীতি চলি আহিছে। ঘোষণা কৰি প্ৰামাণিকতাৰ সৈতে সেইসমূহ পূৰণ কৰা চৰকাৰ এতিয়া দেশবাসীয়ে প্ৰত্যক্ষ কৰিছে ।

দেশৰ জনতাই আমাক আশীৰ্বাদ দিয়া দেখি কিছুমান দলে এইদৰে ভাবিছে যে তেওঁলোকৰ হেৰোৱা ৰাজনৈতিক ভূমি কৃষকসকলৰ মাজৰ ভ্ৰমৰ সৃষ্টি কৰি পুনৰুদ্ধাৰ হ'ব।

এই ভ্ৰম দূৰ কৰাটো আমাৰ দায়িত্ব। সেইবাবে আমি আন্দোলনৰত কৃষকসকলৰ সৈতে প্ৰতিটো বিষয়ৰ সমাধান কৰাৰ বাবে নিৰন্তৰে প্ৰয়াস কৰি আছো।

কিন্তু আপোনালোকেও এই বিষয়ে সতৰ্ক হৈ থকাটো প্ৰয়োজন যে এই আন্দোলনত এনে কিছুমান লোক অন্তৰ্ভুক্ত হৈছে যাৰ লক্ষ্য মুঠেও কৃষকৰ হিতসাধন নহয়। বিগত ছবছৰত আপোনালোকে দেখিছে যে এনে চিন্তা-ধাৰাৰ লোকে কেতিয়াবা বিদ্যাৰ্থীসকল, কেতিয়াবা দলিতসকল, কেতিয়াবা মহিলাসকল, কেতিয়াবা সংখ্যালঘূসকল- প্ৰতিটো ভিন্ন ভিন্ন শ্ৰেণীৰ মাজত লুকাই সমাজত অসন্তোষ আৰু দেশত অৰাজকতা সৃষ্টি কৰাৰ প্ৰয়াস কৰি আছে।

আজি এই লোকসকলে পুনৰবাৰ দেশৰ অন্নদাতাসকলৰ পিছফালে লুকাই নিজৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে হিংসা আৰু অৰাজকতাক প্ৰত্যক্ষ আৰু অপ্ৰত্যক্ষ ৰূপত আগুৱাই দিছে।



এই লোকসকলে দেশৰ অন্নদাতাসকলৰ পিছফালে লুকাই হিংসা বিয়পোৱা, উপদ্ৰৱ কৰা অভিযুক্তসকলক তুৰন্তে মুকলি কৰি দিয়াৰ বাবে চাপ প্ৰদান কৰিবলৈ ধৰিছে।

এই লোকসকলে দেশৰ অন্নদাতাসকলৰ মাজত লুকাই গান্ধীজীৰ প্ৰতিমাৰ ক্ষতিসাধন কৰে, পূজ্য বাপুৰ অপমান কৰে, সেই বাপুৰ অপমান কৰে যিয়ে চম্পাৰণত কৃষকৰ বাবে সত্যাগ্ৰহৰ এক বৃহৎ আন্দোলনৰ সূচনা কৰিছিল।

সিঞ্চনৰ পানী কৃষকসকলে যাতে নাপায় তাৰবাবে এই সংগঠনসমূহে বৰ্যজুৰি চেষ্টা কৰিছিল, প্ৰতিটো আইনী খেল খেলিছিল। এই লোকসকলেই কৃষকসকললৈ বিদ্যুৎ যোগানৰ কামতো বৰ্যজুৰি বাধাৰ সৃষ্টি কৰিছিল। এই লোকসকলে আজি কৃষকসকলৰ হিতৈষী হোৱাৰ ভণ্ড ভূমিকা গ্ৰহণ কৰিছে।

যেতিয়া দেশে আত্মনিৰ্ভৰ ভাৰতৰ সংকল্পৰ সৈতে আগবাঢ়িবলৈ ধৰিছে, ভ'কেল ফ'ৰ লোকেল হ'বলৈ ধৰিছে, সেই সময়তে ভাৰতৰ উৎপাদনবোৰৰ বহিষ্কাৰ কৰাৰ ঘোষণা কৰা এই লোকসকলৰ উদ্দেশ্য চিনি পাব লাগিব।

যেতিয়া লেহ-লাডাখৰ সীমাত সুৰক্ষাৰ প্ৰত্যাহ্বানৰ সৃষ্টি হয়, যেতিয়া বৰফৰ কেইবা ফুট তৰপ খহি পৰে, তেতিয়া সীমাৰ জোৱানসকললৈ ৰচদ-পাতি লৈ লোৱা ৰে'ল প্ৰতিৰোধ কৰা এইসকল লোক কৃষক হ'ব নোৱাৰে।

এই লোকসকলৰ বাবে আমি আমাৰ সেনাসকললৈ ৰচদ-পাতি আৰু অন্য অত্যাৱশ্যকীয় সামগ্ৰী বিমানেৰে তথা অন্য উপায়েৰে লৈ যাবলগীয়া হৈছে। জনতাৰ বৃহৎ উপাৰ্জনৰ অংশ এই বৈকল্পিক ব্যৱস্থাসমূহত ব্যয় হৈছে।

ইয়াৰে মাজত বহু এনে লোক আছে যিয়ে '৬২ৰ যুদ্ধত দেশক সহযোগ কৰা নাছিল। আজি এইসকল লোকে পুনৰ '৬২ৰ ভাষা ক'বলৈ ধৰিছে।

এইসকল লোকে কৃষকসকলৰ মনৰ পবিত্ৰতাকো নিজৰ ঘৃণনীয় উদ্দেশ্য আৰু ষড়যন্ত্ৰেৰে অপবিত্ৰ আৰু প্ৰদুষিত কৰাৰ প্ৰয়াস কৰিছে।

আমাৰ কৃষক ভাই-ভনীসকলে আজি বিচাৰ কৰিব লাগে যে যেতিয়া তেওঁলোকে এই আন্দোলন আৰম্ভ কৰিছিল তেতিয়া তেওঁলোকৰ লক্ষ্য কি আছিল আৰু আজি কি কি কথা হ'বলৈ ধৰিছে?

মই এই পত্ৰৰ জৰিয়তে আপোনালোকৰ কৰযোৰে মিনতি জনাইছো যে এনে ভ্ৰমৰ দ্বাৰা বিচলিত নহৈ কৃপা কৰি তথ্যৰ আধাৰত চিন্তা কৰক।

আপোনালোকৰ প্ৰতিটো শংকা-আশংকা দূৰ কৰা, সেইসমূহৰ উত্তৰ দিয়াটো আমাৰ চৰকাৰৰ দায়িত্ব। আমি আমাৰ এই দায়িত্বৰ পৰা কেতিয়াও পিছ হোঁহকা নাই আৰু কেতিয়াও পিছ নোহোঁহকো।

'সকলোকে সৈতে সকলোৰে বিকাশ, সকলোৰে বিশ্বাস'ৰ মন্ত্ৰত আগবাঢ়ি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীৰ নেতৃত্বত আমাৰ চৰকাৰে বিনা ভেদভাৱে সকলোৰে কল্যাণ সাধনৰ প্ৰয়াস কৰিছে। বিগত ছবছৰৰ ইতিহাসেই হ'ল ইয়াৰ সাক্ষী।

আপোনালোকে বিশ্বাস ৰাখক, কৃষকৰ হিতৰ বাবে কৰা সংস্কাৰে ভাৰতীয় কৃষিত নতুন অধ্যায়ৰ সৃষ্টি কৰিব, দেশৰ কৃষকসকলক অধিক স্বতন্ত্ৰ কৰিব, শক্তিশালী কৰিব।

এই কৃষি সংস্কাৰৰ পৰা লাভ কৰা শক্তিৰে আমি সকলোৱে ঐক্যৱদ্ধভাৱে ভাৰতৰ কৃষিক সমৃদ্ধ কৰি তুলিম, অধিক সম্পন্ন কৰি তুলিম।

আপোনালোকৰ,

**নৰেন্দ্ৰ সিং তোমৰ**

**কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী, ভাৰত চৰকাৰ**

## অন্নদাতাসকলক আশ্বাস

MSPৰ বিষয়ে চৰকাৰ লিখিত আশ্বাস দিবলৈ সাজু।

APMCৰ বাহিৰত ব্যক্তিগত বজাৰৰ ওপৰত ৰাজ্যসমূহক কৰ আৰোপ কৰাৰ অনুমতি দিব পাৰি।

যিকোনো ধৰণৰ বিবাদৰ সমাধানৰ বাবে কৃষকৰ হাতত আদালতলৈ যোৱাৰ বিকল্পও থাকিব।

ৰাজ্যসমূহৰ কৃষি চুক্তি পঞ্জীকৰণ কৰাৰ অধিকাৰ থাকিব।

কোনেও কৃষকৰ মাটিৰ ওপৰত দখল কৰিব নোৱাৰে, কিয়নো এই আইনে কৃষকৰ ভূমিৰ যিকোনো ধৰণৰ ট্ৰেন্সফাৰ, বিক্ৰী, লীজ আৰু বন্ধকীৰ অনুমতি নিদিয়ে।

ঠিকাদাৰসকলে কৃষকৰ মাটিত কোনো ধৰণৰ স্থায়ী পৰিৱৰ্তন কৰিব নোৱাৰে।

ঠিকাদাৰসকলক কৃষকৰ মাটিত তেওঁলোকৰ কোনো ধৰণৰ অস্থায়ী নিৰ্মাণৰ বাবে লোন দিব নোৱাৰে।

স্থিতি যিয়েই নহওক, কিন্তু আইনে কৃষকৰ মাটিক জব্দ কৰাৰ কোনো প্ৰক্ৰিয়াৰ অনুমতি নিদিয়ে।

